# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-09-2025
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৫ সংখ্যক জন্মদিন। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত আজি ১৫ খন গুৰুত্বপূৰ্ণ আঁচনি মুকলি কৰিব।

২। প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টীয়ে আজিৰে পৰা সমগ্ৰ দেশত সেৱা পযেকৰ আয়োজন কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে অসম আৰু তামিলনাডু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ৩৪২ কোটিৰো অধিক টকাৰ অনুদান মোকলাই দিছে।

৪। কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি দেশৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে।

***আৰু***

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তান সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৫ সংখ্যক জন্মদিন। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই উপলক্ষে নতুন দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত আজি ১৫ খন গুৰুত্বপূৰ্ণ আঁচনি মুকলি কৰিব। এই সমূহৰ ভিতৰত মহাবিদ্যালয় পৰ্যায়ৰ দৃষ্টিহীন কন্যা শিক্ষাৰ্থীসকলৰ বাবে অটল দৃষ্টি ছাত্ৰীবাস, বৌদ্ধিকভাৱে দিব্যাংগ ব্যক্তিসকলৰ বাবে অটল আশাগৃহ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সাবিত্ৰীবাঈ ফুলে গৃহ আঁচনি অন্যতম। **সেৱা পৰ্ব** কাৰ্যসূচীৰ অংশ হিচাপে এই আঁচনিসমূহ মুকলি কৰা হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ ৭৫ বছৰীয়া জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যম যোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয়, যে শ্ৰীমোদীয়ে তেওঁৰ অসাধাৰণ নেতৃত্বৰে কঠোৰ পৰিশ্ৰমৰ বলত দেশত অভূতপূৰ্ব লক্ষ্য প্ৰাপ্তিৰ সংস্কৃতি প্ৰৱৰ্তন কৰিছে। সম্প্ৰতি বিশ্ব সম্প্ৰদায় প্ৰধানমন্ত্ৰী পথ প্ৰদৰ্শনৰ প্ৰতি গভীৰ আস্থা ৰাখিবলৈ লৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে শ্ৰীমোদীৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰে।

উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ ভৱিষ্যদৰ্শী নেতৃত্বত ভাৰতে বিশ্ব পৰ্যায়ত নিজৰ পৰিচয় গঢ়ি তুলিবলৈ সমৰ্থ হৈছে আৰু উন্নত ৰাষ্ট্ৰৰ লক্ষ্যত উপনীত হোৱাৰ দিশে ধাৱমান হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জন্মদিন উপলক্ষে দিয়া বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীক ত্যাগ আৰু নিষ্ঠাৰ প্ৰতীক বুলি অভিহিত কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীমোদী দেশৰ কোটি কোটি জনসাধাৰণৰ বাবে অণুপ্ৰেৰণাৰ উৎস। শ্ৰীমোদীয়ে অক্লান্তভাৱে জনসাধাৰণৰ কল্যাণৰ বাবে কাম কৰি আহিছে বুলি শ্ৰীশ্বাহে মন্তব্য কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতত নতুন দিশ, নতুন প্ৰেৰণা আৰু নতুন শক্তি প্ৰদান কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰধানমন্ত্ৰী মোদীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে এই কথা সদৰি কৰে।

প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টীয়ে আজিৰে পৰা সমগ্ৰ দেশত সেৱা পষেকৰ আয়োজন কৰিছে। মহাত্মা গান্ধী আৰু লাল বাহাদুৰ শাস্ত্ৰীৰ জন্মবাৰ্ষিকীৰ দিনা ২ অক্টোবৰত এই সেৱা পষেকৰ সামৰণি পৰিব।

সেৱা পষেকৰ সময়ত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক সক্ৰিয়ভাৱে  অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে বিভিন্ন বিষয়বস্তুৰে ভিন ভিন কাৰ্যসূচীৰ পৰিকল্পনা কৰিছে। ইয়াৰ জৰিয়তে চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহক দুখীয়া জনসাধাৰণৰ কাষ চপাই নিয়া, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰসাৰ, পানী যোগান সুনিশ্চিত কৰা আৰু পৰিৱেশ সংৰক্ষণ বিষয়ক অভিযানসমূহ আগুৱাই নিয়াত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

oooooooo

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতি ৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। সেৱা পৰ্ব প্ৰতিবেদনলানিত আজি আমি মোদী চৰকাৰে কিদৰে আন্তৰাষ্ট্ৰীয় সৌৰ জোটৰ মাধ্যমেৰে ভাৰতবৰ্ষক গোলকীয় পৰ্যায়ত অগ্ৰণি দেশৰূপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে সেই বিষয়ে আমাৰ এক প্ৰতিবেদন—

*-ভইচ কাষ্ট-*

oooooooo

কেন্দ্ৰীয় চৰকাৰে অসম আৰু তামিলনাডু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ৩৪২ কোটিৰো অধিক টকাৰ অনুদান মোকলাই দিছে। কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কৈছে, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমলৈ ২১৪  আৰু তামিলনাডুলৈ ১২৭ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে। এই ধনৰাশি অনাময় আৰু মুকলিত মলত্যাগ অভ্যাসৰ বিলুপ্তি, ঘৰুৱা আৱৰ্জনাৰ ব্যৱস্থাপনা আৰু পুনৰ ব্যৱহাৰ, খোৱাপানী যোগান, বৰষুণৰ পানীৰ সংৰক্ষণ আৰু পুনৰ ব্যৱহাৰৰ দৰে বুনিয়াদী সেৱাৰ বাবে ব্যৱহাৰ কৰা হ'ব।

oooooooo

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি দেশৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বকৰ্মা জয়ন্তী উপলক্ষে দেশবাসীক ওলগ জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত সকলো শিল্পী আৰু সৃষ্টিশীল কাম-কাজৰ সৈতে জড়িত কৰ্মযোগীসকলক অভিনন্দন জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ বাৰ্তাত কয়, যে এখন শক্তিশালী, সমৃদ্ধিশালী আৰু দক্ষ ভাৰতবৰ্ষ গঢ়ি তোলাৰ ক্ষেত্ৰত এই প্ৰতিভাৱান আৰু কঠোৰ পৰিশ্ৰমী কৰ্মযোগীসকলৰ অৱদান অভূতপূৰ্ব।

দেশৰ আন ঠাইৰ লগতে গুৱাহাটী মহানগৰীত প্ৰতিকূল বতৰকো নেওচি আজি এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। পুৱাৰে পৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপসমূহত বিশ্বখনিকৰক আৰাধনা কৰা পৰিলক্ষিত হৈছে। এই পূজাৰ লগে লগে ৰাজ্যখনত শাৰদীয় পূজাৰ পৰিৱেশৰো সূচনা হ'ব। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাৱেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন উদ্যোগ, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, বাছ আস্থান, গেৰেজ আদিত আজি পুৱাৰে পৰা বিশ্বকৰ্মা পূজা উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱসত ঐতিহাসিক লাল কিল্লাৰ প্ৰাচীৰৰ পৰা পোহৰৰ উৎসৱ দিপাৱলীৰ ভিতৰত পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ কথা ঘোষণা কৰিছিল। তেওঁৰ এই দৃষ্টিভংগী বাস্তৱায়িত কৰি ৩ ছেপ্তেম্বৰত জি এছ টি পৰিষদে জনসাধাৰণৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে ভালেমান খণ্ডত আৰোপিত কৰ হ্ৰাস কৰিছিল আৰু একাংশ খণ্ডৰ কৰৰ বিলুপ্তি সাধন কৰিছিল। আজি আমি ৫ৰ পৰা ১২ শতাংশলৈ জি এছ টি হ্ৰাস কৰা একাংশ সামগ্ৰীৰ বিষয়ে আলোকপাত কৰিবলৈ লৈছো।

জি এছ টি পৰিষদে যোৱা ৩ ছেপ্তেম্বৰত সাধাৰণ জনসাধাৰণক সকাহ প্ৰদান কৰি এলানি পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ কথা ঘোষণা কৰিছে। পৰিষদে ৰান্ধনী শালৰ বিভিন্ন সামগ্ৰী, লো, তীখা আৰু কাঠেৰে নিৰ্মিত খোৱামেজৰ সামগ্ৰী আৰু গাধোৱা সামগ্ৰীকে ধৰি বিভিন্ন ঘৰুৱা সা-সামগ্ৰীৰ ওপৰত আৰোপিত কৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিছে। একেদৰে কেৰচিন আৰু খৰিৰ ব্যৱহাৰ হোৱা লো অথবা তীখাৰে নিৰ্মিত ষ্টোভৰ ওপৰত আৰোপ কৰা কৰো হ্ৰাস কৰা হৈছে। পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰৰ অধীনত মটৰ বিহীন বাইচাইকেলৰ লগতে সামগ্ৰী প্ৰদানৰ কামত ব্যৱহৃত ট্ৰাইচাইকেল আৰু ইয়াৰ যন্ত্ৰাংশৰ ওপৰত আৰোপিত কৰো পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। উৎসৱৰ বতৰৰ পূৰ্বে ঘোষণা কৰা পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে সাধাৰণৰ ৰাইজৰ কৰৰ বোজা লাঘৱ কৰিব আৰু দেশৰ অৰ্থ ব্যৱস্থা টনকিয়াল কৰি তুলিব। নতুন কৰৰ হাৰসমূহ ২২ ছেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হ'ব।

000000000

এছিয়া কাপ ক্রিকেট প্ৰতিযোগিতাত আজি ডুবাইত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত পাকিস্তান সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে, কালি আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাত গ্ৰুপ বিৰ এখন ৰোমাঞ্চকৰ খেলত বাংলাদেশে আফগানিস্তানক ৮ ৰানত পৰাস্ত কৰে। ১৫৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিয়মত ১৫৪ ৰান সংগ্ৰহ কৰে।

০০০০০০০০০

**সমাপ্ত**